**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-08-2026 **Time :** 1910 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। নীটকে ধৰি বিভিন্ন বিষয়কলৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজিও লোকসভাৰ কাম-কাজ ব্যাহত হয়।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চৰকাৰ যিকোনো বিষয়ক লৈ আলোচনাৰ বাবে সম্পূৰ্ণ সাজু বুলি মন্তব্য কৰিছে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উজনি অসমৰ চাৰিখন জিলাৰ ভয়াবহ বানৰ পূৰ্বেই সতৰ্কতা জাৰি কৰিছিল বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে।

৪। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ৰাজহুৱা মূলধন ব্যক্তিগত বিনিয়োগৰ বিকল্পৰ পৰিৱৰ্তে ইয়াৰ অনুঘটক হোৱা উচিত বুলি মন্তব্য কৰিছে।

আৰু

৫। আজি বিশ্ব হস্তী দিৱস। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বন্যহস্তীক অৰণ্যৰ পৰিবেশতন্ত্ৰৰ মূল আধাৰ বুলি আখ্যা দিছে।

০০০০০০০০

নীট পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিব নোৱাৰাৰ অভিযোগত ছাত্ৰ-ছাত্ৰীয়ে কৰা প্ৰতিবাদৰ সময়ত আৰক্ষীৰ লাঠি চালনা আৰু আন একাধিক বিষয়ক লৈ বিৰোধীৰ তীব্ৰ প্ৰতিবাদৰ মাজতে লোকসভাৰ কাৰ্যসূচী আজি দিনটোৰ বাবে স্থগিত ৰখা হয়। বিয়লি ৩ বজাত বিৰোধীৰ হুলস্থূলৰ মাজতে খনি আৰু খনিজ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক ২০২৬ বিবেচনা আৰু গৃহীত কৰাৰ বাবে উত্থাপন কৰা হয়। কিন্তু কোনো আলোচনা অবিহনেই বিধেয়কখন গৃহীত কৰা হয়। বিধেয়ক গৃহীত হোৱাৰ পাছতে লোকসভাৰ কাৰ্যসূচী চলাই নিয়াৰ ক্ষেত্ৰত সহায় কৰিবলৈ সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা বিষয়াগৰাকীয়ে বিৰোধী সদস্যসকলক আহ্বান জনায়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে নীট পৰীক্ষাক লৈ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ সন্দৰ্ভত আলোচনাৰ বাবে চৰকাৰ ইতিমধ্যে সাজু হৈছে। গৃহমন্ত্ৰী অমিত শ্বাহে বিষয়তো সদনত আলোচনাৰ বাবে লোকসভাৰ অধ্যক্ষ ওম বিৰলালৈ পত্ৰ প্ৰেৰণ কৰিছে বুলিও ৰিজিজুৱে উল্লেখ কৰে। কিৰেণ ৰিজিজুৱে কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টিকে ধৰি প্ৰতিবাদ কৰা বিভিন্ন দলৰ সদস্যসকলক নিজৰ আসনলৈ ঘূৰি যাবলৈ আহ্বান জনাই কয়, যে চৰকাৰে যিহেতু বিষয়টোক লৈ আলোচনাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে সেয়ে কাম-কাজ পুনৰ আৰম্ভ কৰা উচিত। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে পুনৰ কয়, যে বিৰোধীয়ে সমগ্ৰ বিষয়টোক লৈ প্ৰথমদিনাৰ পৰাই গৃহমন্ত্ৰীৰ বিবৃতি দাবী কৰি আহিছিল। কিন্তু চৰকাৰ যেতিয়া বিষয়টোক লৈ আলোচনাৰ বাবে সাজু হ'ল তেতিয়া বিৰোধী আঁতৰি থাকিব বিচাৰিছে। সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা জগদম্বিকা পালেও বিৰোধী দলৰ সদস্যসকলক আলোচনা প্ৰক্ৰিয়াত অংশগ্ৰহণৰ বাবে আহ্বান জনায়। কিন্তু প্ৰতিবাদকাৰী সদস্যসকলে তেওঁৰ আহ্বানক গুৰুত্ব নিদিলে। ইয়াৰ পৰিপ্ৰেক্ষিততে দিনটোৰ বাবে সদনৰ কাৰ্যসূচী স্থগিত ৰখাৰ কথা ঘোষণা কৰা হয়।

ইয়াৰপূৰ্বে সদন প্ৰথমবাৰ স্থগিত হোৱাৰ পাছত দিনৰ ২ বজাত যেতিয়া পুনৰ কাম-কাজ আৰম্ভ হৈছিল, তেতিয়া বিভাগীয় মন্ত্ৰীসকলে নিজ নিজ মন্ত্ৰালয়ত নথিসমূহ দাখিল কৰে। ইফালে, বিৰোধীৰ তীব্ৰ প্ৰতিবাদৰ মাজতো সদনে বৈদেশিক অনুদান (নিয়ন্ত্ৰণ) সংশোধনী বিধেয়ক ২০২৬ৰ অধিক পৰীক্ষা-নিৰীক্ষাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰাত অনুমোদন জনায়। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা কে চি বেণুগোপাল আৰু সমাজবাদী পাৰ্টিৰ সদস্যসকলে বিধেয়কখন বিৰোধীতা কৰাৰ লগতে প্ৰত্যাহাৰৰ দাবী জনায়। তেওঁলোক অভিযোগ কৰে যে এই বিধেয়কখনৰ জৰিযতে সংখ্যালঘু সম্প্ৰদায়ৰ লোক আৰু বেচৰকাৰী সংস্থাসমূহক লক্ষ্য কৰি লোৱা হৈছে। ইয়াৰ পাছতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰস্তাৱিত বিধেয়কখনৰ কোনো ব্যৱস্থা সংখ্যালঘু সম্প্ৰদায়ৰ পৰিপন্থী নহয় বুলি স্পষ্ট কৰি দিয়ে। দেশত প্ৰতিটো সম্প্ৰদায়ক কল্যাণৰ বাবে  বিধেয়কখন প্ৰস্তুত কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

বাইট (কিৰেণ ৰিজিজু)

ইয়াৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে হুলস্থূলীয়া পৰিবেশ অব্যাহত ৰখা অধ্যক্ষই সদনৰ কাম-কাজ বিয়লি ৩বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদকে ধৰি সাংসদসকলে সদনত উত্থাপন কৰা যিকোনো বিষয় আলোচনা কৰিবলৈ চৰকাৰ সম্পূৰ্ণ সাজু বুলি মন্তব্য কৰিছে। সংসদ ভৱনৰ চৌহদত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী শ্বাহে কয়, যে চৰকাৰৰ কোনো কথা লুকুৱাবলগীয়া নাই আৰু আলোচনাৰ বাবে সম্পূৰ্ণ সাজু। শ্ৰী শ্বাহে কয়, যে আলোচনা আৰম্ভ হ'লে তেওঁ সদনত উপস্থিত থাকি মন্ত্ৰীগৰাকীৰ সদস্যৰ বক্তব্য শুনিব। আলোচনাৰ অন্তত কাইলৈ বিয়লি ৩ বজাত তেওঁ উত্তৰ দিব বুলি গৃহমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

বাইট (অমিত শ্বাহ)

শ্ৰী শ্বাহে কয়, যে নীটৰ বিষয়ক লৈ শিক্ষাৰ্থীৰ প্ৰতিবাদ সম্পৰ্কীয় প্ৰতিটো বিষয় আলোচনা কৰিবলৈ চৰকাৰ প্ৰস্তুত বুলি ইতিমধ্যে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে বিৰোধী পক্ষই সদনৰ কাম-কাজ সুকলমে পৰিচালনা কৰিবলৈ নিদিয়া বুলি অভিযোগ তোলে। তেওঁ কয়, যে এনেধৰণৰ এটা গুৰুত্বপূৰ্ণ বিষয়ত সংসদৰ কাৰ্যপন্থা অনুসৰি আলোচনা অনুষ্ঠিত হোৱা উচিত।

০০০০০০০০

১৮ ৰ পৰা ২০ জুলাইলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ পূৰ্বে আৰু বৰষুণৰ সময়চোৱাত উজনি অসমৰ যোৰহাট, গোলাঘাট, শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বাবে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আগতীয়া পূৰ্বানুমান আৰু বিপদাংশকা সন্দৰ্ভত বিভিন্ন ৰঙৰ সতৰ্কতা প্ৰকাশ কৰিছিল বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত ধৰিত্ৰী বিজ্ঞান দপ্তৰৰ মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কয়, যে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ বাবে প্ৰকাশ কৰা পূৰ্বানুমান হিচাপে সাতদিন পূৰ্বে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি সতৰ্ক কৰি দিছিল আৰু পৰৱৰ্তী সাতদিনত দৈনিক সতৰ্কতা জাৰি কৰিছিল। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ নীতি নিৰ্দেশনা অনুসৰি বৰষুণৰ শ্ৰেণীকৰণৰ মানক নিয়ম অনুসৰণ কৰা হৈছিল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে বিভাগটোৱে অসমৰ সকলো অঞ্চলত বৰষুণৰ পূৰ্বানুমান আৰু সতৰ্কতাৰ সঠিকতা আৰু সময়সীমাৰ নিয়মীয়া মূল্যায়ণ কৰি আহিছে।

০০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ৰাজহুৱা মূলধন  ব্যক্তিগত বিনিয়োগৰ বিকল্প হোৱাৰ পৰিৱৰ্তে ইয়াৰ অনুঘটক অথবা চালিকাশক্তি হিচাপে কাম কৰা উচিত বুলি মন্তব্য কৰিছে। ব্ৰিকছ সদস্য দেশসমূহৰ ব্যক্তিগত

মূলধন সংগ্ৰহৰ ক্ষেত্ৰত নিউ ডেভেলপমেণ্ট বেংকৰ ভূমিকা শীৰ্ষক এখন আলোচনা চক্ৰত অংশগ্ৰহণ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে ব্ৰিকছৰ অৰ্থনীতি গোলকীয় বিকাশৰ অন্যতম চালিকাশক্তি। কিন্তু ব্যক্তিগত মূলধন আকৰ্ষণৰ ক্ষেত্ৰত  এই দেশসমূহ কিছুমান প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। জয়পুৰত অনুষ্ঠিত আলোচনা চক্ৰত অংশগ্ৰহণ কৰি সীতাৰমণে কয়, যে মূলধনৰ উপলব্ধতাৰ সমান্তৰালকৈ বিনিয়োগকাৰীৰ বিশ্বাস গঢ়ি তোলা, সুস্থিৰতা বৰ্তাই ৰখা আৰু এক পূৰ্বানুমানযোগ্য তথা দীৰ্ঘম্যাদী নীতিৰ পৰিকাঠামো প্ৰদান কৰাতো সমানেই গুৰুত্বপূৰ্ণ।

oooooooo

আজি বিশ্ব হস্তী দিৱস। হস্তী সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ লগতে হাতী-মানুহৰ সংঘাত হ্ৰাস কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ১২ আগষ্টত এই দিৱস পালন কৰা হয়। এইবাৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে – 'সুৰক্ষিত পৰিৱেশ, অনুকুল পথ, সুৰক্ষিত হাতী তথা মোৰ হাতী, মোৰ ঐতিহ্য'। বিশ্ব হস্তী দিৱস উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয়, যে বন্যহস্তী অৰণ্যৰ পৰিৱেশতন্ত্ৰৰ মূল আধাৰ স্বৰূপ। জৈৱ বিচিত্ৰতা বৰ্তাই ৰখাত হাতীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাই তেওঁ কয়, যে হাতীৰ সুৰক্ষা মানে কেৱল এবিধ প্ৰজাতিৰ সুৰক্ষাই নহয়, বৰং বনাঞ্চলৰ পৰিৱেশতন্ত্ৰ আৰু অনাগত প্ৰজন্মসমূহৰ ভৱিষ্যতৰো নিৰাপত্তা। ভাৰত এচীয় প্ৰজাতিৰ সৰ্ববৃহৎ বাসস্থল হোৱা কথাটোলৈ অধ্যক্ষগৰাকীয়ে গৌৰৱ প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতে হস্তী প্ৰকল্প, হস্তী সংৰক্ষিত বনাঞ্চল, হস্তী দণ্ডি, হাতীৰ বাসস্থানৰ পুনৰ উদ্ধাৰ, হাতী-মানুহৰ সংঘাত দূৰ কৰাৰ প্ৰচেষ্টা আৰু সম্প্ৰদায় ভিত্তিক সংৰক্ষণ ব্যৱস্থাৰ দৰে ভালেমান পদক্ষেপৰ মাজেৰে হাতী সংৰক্ষণ আৰু প্ৰাণীবিধৰ প্ৰাকৃতিক বাসস্থানৰ সুৰক্ষাৰ বাবে অহৰহ কাম কৰি আহিছে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে জনসাধাৰণক প্ৰকৃতি, বনৰীয়া জীৱ-জন্তু, জৈৱ বিবিধতাৰ সুৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাই কয়, যে সন্তুলিত বাতাবৰণে সমৃদ্ধিশালী নিৰাপদ আৰু বহনক্ষম ভৱিষ্যতৰ শক্তিশালী ভেঁটি হিচাপে কাম কৰে।

oooooooo

ভাল বৰষুণ আৰু অধিক শস্য উৎপাদনৰ বাবে ভগৱানৰ পৰা আশীষ বিচাৰি পালন কৰা হাৰিয়ালী অমাৱস্যা উৎসৱৰ সৈতে সংগতি ৰাখি আজি দেশৰ বিভিন্ন প্ৰান্তত ৩১খন ৰাজ্যত ৫০ হাজাৰৰো অধিক গছপুলি ৰোপণ কৰা হয়। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ তথা গ্ৰামোন্নয়ন দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে বিকাশ মিত্ৰ সহযোগত এই গছপুলি ৰোপণ অভিযানত নেতৃত্ব দিয়ে। এই অভিযানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাতৃৰ নামত এজোপা গছ উদ্যমক গতি প্ৰদান কৰিব। এই উপলক্ষে মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে হাৰিয়ালি অমাৱস্যা কেৱল এটা ধৰ্মীয় উপলক্ষ নহয়, বৰং প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ সুযোগ। মন্ত্ৰীগৰাকীয়ে দেশৰ প্ৰতিজন নাগৰিককে বছৰত কমেও এটি পুলি ৰোপণ কৰিবলৈ আহ্বান জনায়।

oooooooo

সমাপ্ত